# 2018

## PHILOSOPHY ( Major )

Paper : 6.4

**( Ethics—II )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions/Choose the correct answer : 1×7=7

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া/শুদ্ধ উত্তৰটো বাচি উলিওৱা :

*(a)* Which of the following statements does rightly characterises Kant's moral theory?

তলত দিয়া উক্তিসমূহৰ ভিতৰত কোনটোৱে সঠিকভাৱে কাণ্টৰ নৈতিক মতবাদৰ বৈশিষ্ট্য সূচাব পাৰিছে?

*(i)* It is a version of utilitarianism.

ই উপযোগিতাবাদৰ এটা ৰূপ।

*(ii)* It is another version of consequentialism, but it is not utilitarianism.

ই ফলাফল-সম্বন্ধীয় মতবাদৰ অন্য এক ৰূপ, কিন্তু ই উপযোগিতাবাদ নহয়।

*(iii)* It is inconsistent with consequentialism.

ই ফলাফল-সম্বন্ধীয় মতবাদৰ লগত অসংগতিপূৰ্ণ।

*(iv)* It is consistent with ethical egoism.

ই নৈতিক আত্মবাদৰ লগত সংগতিপূৰ্ণ।

(b) According to Kant, reason is not the ground of morality. Is it correct?
কাণ্টৰ মতে বুদ্ধি বা যুক্তি নৈতিকতাৰ পটভূমি নহয়। এইটো শুদ্ধনে?

(c) Is Karmavada an ethical theory of causation?
কৰ্মবাদ নৈতিক কাৰ্যকাৰণবাদ হয়নে?

(d) What is Anarabdha Karma?
অনাৰব্ধ কৰ্ম কি?

(e) For Kant, man is always a means / end / non-entity in moral status.
কাণ্টৰ বাবে নৈতিক স্থিতি অনুসৰি মানুহ সদায় এটা উপায় / লক্ষ্য / অসত্তা (নগণ্য)।

(f) Which of the following statements is true?
তলত দিয়া উক্তিসমূহৰ ভিতৰত কোনটো সত্য?

(i) Moore is a naturalist.
মূৰ হৈছে এগৰাকী প্ৰকৃতিবাদী।

(ii) Moore is not an intuitionist.
মূৰ এগৰাকী স্বজ্ঞাবাদী বা অন্তঃপ্ৰজ্ঞাবাদী নহয়।

(iii) Non-naturalism is also called intuitionism.
অপ্ৰকৃতিবাদক স্বজ্ঞাবাদ বা অন্তঃপ্ৰজ্ঞাবাদ বুলিও কোৱা হয়।

(iv) Naturalism is also called intuitionism.
প্ৰকৃতিবাদক স্বজ্ঞাবাদ বা অন্তঃপ্ৰজ্ঞাবাদ বুলিও কোৱা হয়।

(g) "You are not punished for stealing sheep, but in order that sheep may not be stolen." It refers to which theory of punishment?

"ভেড়া চুৰি কৰাৰ কাৰণে তোমাক শাস্তি দিয়া হোৱা নাই, তোমাক শাস্তি দিয়া হৈছে এই বাবেই যে যাতে ভেড়া পুনৰ চুৰি নহয়।" ইয়ে শাস্তিৰ কোনটো মতবাদ নিৰ্দেশ কৰে?

2. Answer the following questions in brief : 2×4=8

তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

(a) What is rigorism in Kantian ethics?

কাণ্টৰ নৈতিক দৰ্শনত কঠোৰতাবাদ বা কৃচ্ছ্ৰতাবাদ মানে কি?

(b) What is meant by naturalistic fallacy?

প্ৰকৃতিবাদী ভ্ৰান্তি বা দোষ বুলিলে কি বুজোৱা হয়?

(c) What do you mean by Nitya Karma?

নিত্য কৰ্ম বুলিলে কি বুজা?

(d) What is the difference between Pravritti Marga and Nivritti Marga?

প্ৰবৃত্তি মাৰ্গ আৰু নিবৃত্তি মাৰ্গৰ মাজত পাৰ্থক্য কি?

3. Write short notes on any *three* of the following : 5×3=15

তলত দিয়াবোৰৰ পৰা যি কোনো তিনিটাৰ বিষয়ে চমু টোকা লিখা :

(a) Maxims of categorical imperative

চৰ্তহীন আদেশৰ মূল সূত্ৰ বা নীতি বাক্যসমূহ

(b) Moore's open question argument

মূৰৰ মুক্ত প্ৰশ্ন যুক্তি

(c) 'Pseudoconcept' in Ayer's emotivism
আয়াৰৰ আবেগ-বিষয়ক মতবাদত 'ছদ্মধাৰণা'

(d) Retributive theory of punishment
শাস্তি-সম্পৰ্কীয় প্ৰতিকাৰাত্মক বা প্ৰতিশোধাত্মক মতবাদ

(e) Differences between Sakama Karma and Niskama Karma
সকাম কৰ্ম আৰু নিষ্কাম কৰ্মৰ মাজৰ পাৰ্থক্য

4. Answer any *three* of the following questions : 10×3=30

তলত দিয়া প্ৰশ্নসমূহৰ পৰা যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) Give a comparative discussion on *Gita*'s Niskama Karma and Kant's rationalism.
'গীতা'ৰ নিষ্কাম কৰ্ম আৰু কাণ্টৰ বিচাৰবাদৰ বিষয়ে এটা তুলনামূলক আলোচনা আগবঢ়োৱা।

(b) Is good definable? Explain after G. E. Moore.
শ্ৰেয় সংজ্ঞাত্মক হয়নে? মূৰৰ মতানুসৰি ব্যাখ্যা কৰা।

(c) Explain and examine A. J. Ayer's emotivism.
এ. জে. আয়াৰৰ আৱেগ-বিষয়ক মতবাদটো ব্যাখ্যা আৰু বিচাৰ কৰা।

(d) Is capital punishment justified? Give reasons in support of your answer.
মৃত্যুদণ্ড বৈধ বা যুক্তিযুক্তনে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি আগবঢ়োৱা।

(e) Is the law of Karma a fatalism? Discuss.
কৰ্মবাদ এক অদৃষ্টবাদ হয়নে? আলোচনা কৰা।

★★★